# 2014

## ASSAMESE

## ( Major )

Paper : 6.3

( আধুনিক ভাৰতীয় সাহিত্য অধ্যয়ন )

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়াঁ : ১×৭=৭

(ক) অসমীয়া চুটিগল্পৰ প্ৰাৰম্ভিক স্তৰ কোনখন আলোচনীৰ জৰিয়তে আৰম্ভ হয় ?

(খ) কবি ৰত্নকান্ত বৰকাকতীৰ ক্ষেত্ৰত কোনজন বংগীয় কবিৰ প্ৰভাৱ পৰিছিল ?

(গ) বঙলা ভাষাৰ প্ৰথম চতুৰ্দ্দশপদী কবিতা কোনে ৰচনা কৰে ?

(ঘ) 'পুতুল নাচেৰ ইতিকথা' উপন্যাসখনৰ ৰচক কোন ?

(ঙ) মেৰীগঞ্জৰ মঠৰ মহন্ত কোন আছিল?

(চ) প্ৰেমচন্দৰ প্ৰকৃত নাম কি?

(ছ) আধুনিক হিন্দী সাহিত্যৰ বাটকটীয়া কোন?

২। চমুকৈ উত্তৰ দিয়াঁ : ২×৪=৮

(ক) হেম বৰুৱাৰ কাব্য সংকলন দুখনৰ নাম লিখাঁ।

(খ) হিন্দী ছায়াবাদ যুগৰ দুজন কবিৰ নাম লিখাঁ।

(গ) কোনে, কাক 'বামন ভগবান' বুলি আঁকোৱালি লৈছিল?

(ঘ) বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায়ৰ প্ৰথম বাংলা উপন্যাসখনৰ নাম কি আৰু কোন চনত প্ৰকাশ পাইছিল?

৩। তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখাঁ : ৫×৩=১৫

(ক) ভাৰতীয় সাহিত্য বুলিলে কি বুজা?

(খ) 'কফন' গল্পটিত গল্পকাৰৰ বক্তব্য-বিষয় কি?

(গ) 'পদ্মানদীৰ মাঝি' উপন্যাসখনৰ ভাষাশৈলী সম্পৰ্কে চমুকৈ লিখাঁ।

(ঘ) ডাঃ প্ৰশান্ত কুমাৰৰ চৰিত্ৰটো বিশ্লেষণ কৰাঁ।

(ঙ) "তোমাৰ দুটি পায়ে পড়ি, আমাৰ জন্যে কাউকে কিছু ভাবতে হবে না।" কথাষাৰ কোনে, কাক, কি প্ৰসঙ্গত কৈছিল, বুজাই লিখাঁ।





৪। তলত দিয়া যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখাঁ : ১০×৩=৩০

(ক) গল্পকাৰ হিচাপে ৰবীন্দ্ৰনাথ ঠাকুৰ আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ এটি তুলনামূলক আলোচনা দাঙি ধৰাঁ।

(খ) বাংলা উপন্যাস সাহিত্যৰ ইতিহাসত 'পদ্মানদীৰ মাঝি'ৰ স্থান নিৰূপণ কৰাঁ।

(গ) 'ময়লা আঁচল' উপন্যাসত সমাজ-জীৱনৰ চিত্ৰ কেনেদৰে প্ৰকাশিত হৈছে?

(ঘ) 'কফন' গল্পটিৰ পিতা-পুত্ৰ হালৰ চৰিত্ৰ দুটি আলোচনা কৰাঁ।

(ঙ) ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'পোষ্টমাষ্টাৰ' গল্পটিৰ এটি পৰ্যালোচনা আগবঢ়োৱাঁ।

(চ) হিন্দী উপন্যাস সাহিত্যৰ ধাৰা সম্পৰ্কে চমুকৈ লিখাঁ।

★★★